**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::::::::::::***

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত অসমৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাবীৰ জয়ন্তীৰ প্ৰাকক্ষণত দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাটত প্ৰচাৰ চলায়।

৪। ৰাজ্যসভাত আজি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (সাধাৰণ প্ৰশাসন) বিধেয়ক ২০২৬ বিবেচনা আৰু গৃহীত কৰাৰ বাবে গ্ৰহণ কৰা হয়। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত অসমৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। নিৰ্বাচনৰ পূৰ্বে দলটোৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকলক শক্তিশালী কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মূলতঃ ৰাজ্যখনৰ উন্নয়নক মূল আধাৰ হিচাপে লৈ তৃণমূল পৰ্যায়ৰ নেতা তথা কৰ্মীসকলে কেনেদৰে সাধাৰণ জনতাৰ মন জয় কৰিব পাৰে সেই লৈ এই কাৰ্যসূচীত বিশদভাৱে আলোচনা কৰা হয়। দলৰ কৰ্মীসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপিৰ শাসনকালত ৰাজ্যখনত হোৱা পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰে। তেওঁ লগতে আশা প্ৰকাশ কৰি কয় যে অনাগত ৫ বছৰলৈও অসমৰ ৰাইজে বিজেপি মিত্ৰজোটক সমৰ্থন কৰি উন্নয়নৰ এই যাত্ৰা অব্যাহত ৰাখিবলৈ সাজু হৈছে। দল শক্তিশালী কৰাৰ ক্ষেত্ৰত বুথ পৰ্যায়ৰ নেতা কৰ্মীৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে নিৰ্বাচনৰ সময়ত তৃণমূল কৰ্মীসকলৰ ফলপ্ৰসূ প্ৰচাৰ আৰু সৰ্বসাধাৰণৰ সৈতে কৰা সংযোগে দলটোক অনন্য মাত্ৰা প্ৰদান কৰে।

শ্ৰীমোদীয়ে কয় যে অসমৰ জনসাধাৰণে বিজেপি মিত্ৰজোটক ভোট দিবলৈ সাজু হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে দলীয় কৰ্মীসকলক এই সময়চোৱাত দিনে নিশাই নিজৰ দায়িত্ব পালন কৰি দলটোক অভিলেখ সংখ্যক আসনত জয়ী কৰোৱাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। বিজেপি চৰকাৰৰ সফলতাৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় বিগত ১০ বছৰত চৰকাৰখনে ৰাজ্যখনৰ বিদ্ৰোহাত্মক কাৰ্যকলাপৰ ওৰ পেলাই শান্তিৰ বাতাবৰণ সৃষ্টি কৰাত সফল হোৱাৰ লগতে নৱ প্ৰজন্মৰ বাবে নতুন সুযোগ কঢ়িয়াই আনিব পাৰিছে।

কংগ্ৰেছৰ শাসনকালত আইন শৃংখলা বৰ্তাই ৰখাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, সেই সময়চোৱাত ৰাজ্যখনৰ বহু যুৱকে অকালতে প্ৰাণ হেৰুৱাব লগা হৈছিল। ভাষণ প্ৰসংগত বড়ো শান্তি চুক্তিৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে বড়োলেণ্ডত এতিয়া বহু যুৱকে সংঘাটৰ সলনি প্ৰগতিৰ পথ বাচি লৈছে। অঞ্চলটোত এতিয়া শিক্ষা, নিয়োগ আৰু ঔদ্যোগীকৰণৰ পথ প্ৰশস্ত হৈছে। বিজেপি চৰকাৰে অসমলৈ অনুপ্ৰৱেশ ৰোধৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ কথাও ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। চাহ জনগোষ্ঠীৰ লোকসকলক ভূমি পট্টা প্ৰদানৰ কথা বিশেষভাৱে উল্লেখ কৰি তেওঁ কয় যে বিজেপি চৰকাৰৰ দিনত অসমৰ অবহেলিত জনগোষ্ঠীটোৰ জীৱন ধাৰণৰ মান উন্নত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাবীৰ জয়ন্তীৰ প্ৰাকক্ষণত দেশবাসীক বিশেষকৈ জৈন সম্প্ৰদায়ৰ ভাই ভনীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয় যে ভগৱান মহাবীৰৰ অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচাৰ্য আৰু অপৰিগ্ৰহ, এই ৫ টা নীতিয়ে সকলোকে জীৱনত সঠিক পথত খোজ দিবলৈ অনুপ্ৰাণিত কৰে। তেঁও লগতে কয় যে এই নীতি সমূহ গ্ৰহণ কৰি নাগৰিকে নিজৰ জীৱন অৰ্থপূৰ্ণ কৰি তোলাৰ লগতে সমাজত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। ৰাষ্ট্ৰপতি মুৰ্মুৱে বাৰ্তাটোত লগতে উল্লেখ কৰে যে ভগৱান মহাবীৰে সমাজত প্ৰচলিত অন্যায় অবিচাৰৰ বিৰুদ্ধে মাত মাতি উন্নত জীৱনৰ পথ প্ৰদৰ্শন কৰিছিল।

০০০০০

মধ্যপ্ৰাচ্যৰ যুদ্ধ সাময়িকভাৱে স্থগিত ৰখাৰ আলোচনাত আগবঢ়াৰ প্ৰাথমিক সংকেত পোৱাৰ পিছতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ খাৰ্গ দ্বীপস্থিত তেল টাৰ্মিনেল দখল কৰাৰ সম্ভাৱনা স্পষ্টকৈ উত্থাপন কৰে। ইফালে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে আজি ইছলামিক ৰিপাব্লিকৰ ওপৰত আক্ৰমণ অব্যাহত ৰাখিছে। একে সময়তে তেহৰানে কুৱেইটৰ এটা বৃহৎ পানী আৰু বৈদ্যুতিক উদ্যোগৰ লগতে উত্তৰ ইজৰাইলৰ এটা তেল শোধানাগাৰত আক্ৰমণ কৰি নিজৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ট্ৰাম্পে লগতে দাবী কৰে যে ইৰাণে সদিচ্ছাৰ চিন হিচাপে আজিৰে পৰা ২০ খন তেল টেংকাৰক হৰমুজ প্ৰণালীৰ মাজেৰে পাৰ হোৱাৰ অনুমতি দিবলৈ সন্মত হৈছে।

০০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলায়। তেওঁ জাগীৰোডৰ দেওশালত বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ আৰু বোকাখাটত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ লয়। সভাপতিগৰাকীয়ে আজি গোলাঘাট জিলাৰ বোকাখাটত অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী অতুল বৰাৰ হৈ প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে সভাত উপস্থিত হ'ব নোৱাৰিলে। তেওঁ দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডাৰ উপস্থিতিত টেলিফোনিক বাৰ্তাৰে জনসাধাৰণক সম্বোধন কৰে। এই সভাত কলিয়াবৰৰ অগপ প্ৰাৰ্থী কেশৱ মহন্ত, ছত্তিশগড়ৰ বিত্তমন্ত্ৰী ওম প্ৰকাশ চৌধুৰীকে ধৰি ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূবন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে নাওবৈচা আৰু চিচিবৰগাঁৱত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ ল'ব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। কংগ্ৰেছ দলৰ নেতা দেৱব্ৰত শইকীয়াই নাজিৰা সমষ্টিত প্ৰচাৰ অব্যাহত ৰাখিছে। একেদৰে দলৰ নেতা ৰিপুণ বৰাই বৰছলা পুঠিমাৰী অঞ্চলত প্ৰচাৰ কাৰ্য্যসূচী ৰূপায়ন কৰে। বিৰোধী ঐক্যৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ দুলীয়া কাকতি মণ্ডল আৰু বৰবৰুৱা মণ্ডলত প্ৰচাৰ চলায়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে আজি শিৱসাগৰ সমষ্টিত নামতি আলি পঞ্চায়তত বিৰোধী মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰে।

০০০০০

ৰাজ্যসভাত আজি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (সাধাৰণ প্ৰশাসন) বিধেয়ক ২০২৬ বিবেচনা আৰু গৃহীত কৰাৰ বাবে গ্ৰহণ কৰা হয়। এই বিধেয়কখনৰ লক্ষ্য হৈছে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ গ্ৰুপ এৰ সাধাৰণ আৰু অন্যান্য আৰক্ষী বিষয়াসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহ নিয়ন্ত্ৰণ কৰা। বিধেয়কখনত উল্লেখ থকা মতে, মহা পৰিদৰ্শকসকলৰ ৫০ শতাংশ আৰু অতিৰিক্ত সঞ্চালক প্ৰধান পদৰ ন্যূনতম ৬৭ শতাংশ পদ, বিশেষ সঞ্চালক প্ৰধান আৰু সঞ্চালক প্ৰধানৰ সকলো পদ ভাৰতীয় আৰক্ষী সেৱা চমুকৈ আই পি এছ বিষয়াই পূৰণ কৰিব লাগিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে - কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ